জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ২৯৫/২০২২

# উমৰাংচুত গৰমপানী হাইস্কুলৰ ১০০ খন আসনযুক্ত ছাত্ৰী নিবাস উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

# লেংচেৰুইত শ্ৰীমতী যমুনাদেৱী সৰস্বতী বিদ্যা মন্দিৰৰ নৱনিৰ্মিত ভৱনৰ শুভ উদ্বোধন মুখ্যমন্ত্ৰীৰ

# ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদক অঞ্চলটোৰ শিক্ষানুষ্ঠানসমূহৰ পাঠ্যক্ৰমত অসমীয়া বিষয় অন্তৰ্ভুক্ত কৰিবলৈ আহ্বান মুখ্যমন্ত্ৰীৰ

# ডিমা হাচাও জিলাত এতিয়া শান্তিৰ পৰিৱেশ বিৰাজ কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিমা হাচাও জিলাৰ উমৰাংচুৰ গোবিন্দ নগৰত এটা নৱনিৰ্মিত গণেশ মন্দিৰ আনুষ্ঠানিকভাৱে মুকলি কৰাৰ উপৰি গৰমপানী হাইস্কুলৰ নৱনিৰ্মিত ১০০ খন আসনযুক্ত এটা ছাত্ৰী নিবাস আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উল্লেখ্য যে বৰষুণৰ পানী সংৰক্ষণৰ ব্যৱস্থা, পুথিভঁৰাল আদিকে ধৰি বিভিন্ন সুবিধাৰে সমৃদ্ধ এই ছাত্ৰী নিবাসটোত ২০২১-২২ বৰ্ষৰ পি এম কে কে কে যোজনাৰ অধীনত প্ৰায় ১ কোটি ৯০ লাখ টকাৰে নিৰ্মাণ কৰা হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি উমৰাংচু ভ্ৰমণকালতে লেংচেৰুইত শ্ৰীমতী যমুনা দেৱী সৰস্বতী বিদ্যা মন্দিৰৰ নৱনিৰ্মিত ভৱনৰো শুভ উদ্বোধন কৰাৰ লগতে এখন জনসভাতো অংশগ্ৰহণ কৰে।

এই জনসভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই সমগ্ৰ ডিমা হাচাও জিলাত এতিয়া শান্তিৰ পৰিৱেশ বিৰাজ কৰিছে বুলি মন্তব্য কৰে। তেওঁ কয় যে ২০১২ চনত ডি এইচ ডিৰ দুয়োটা গোটৰ সৈতে স্বাক্ষৰিত ত্ৰি-পাক্ষিক চুক্তিয়ে জিলাখনলৈ কিছু আশাৰ ৰেঙণি কঢ়িয়াই আনিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ নেতৃত্বত ২০২১ চনৰ ডিচেম্বৰ মাহত ডিমাচা নেশ্যনেল লিবাৰেশ্যন আৰ্মিৰ সকলোবোৰ কেডাৰে আত্মসমৰ্পণ কৰাৰ ফলত পাহাৰীয়া জিলাখনলৈ স্থায়ী শান্তি ঘূৰি আহিছে যাৰ বাবে জিলাখনত এতিয়া সকলো জাতি-জনগোষ্ঠীৰ লোকে শান্তিপূৰ্ণভাৱে বসবাস কৰিব পাৰিছে। ২০২১ চনৰ পিছত জিলাখনত বহুকেইটা উন্নয়নমূলক আঁচনি আৰম্ভ হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে কেইমাহ মানৰ পূৰ্বে মান্দৰদিচাত বেম্ব' ইণ্ডাষ্ট্ৰীয়েল পাৰ্কৰ আধাৰশিলা স্থাপন কৰাৰ উপৰি কেন্দ্ৰীয়

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে ১২০ মেগাৱাট শক্তি সম্পন্ন নামনি-কপিলীত জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ কামো শুভাৰম্ভ কৰিছে। মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে হাফলং তিনিআলিৰ পৰা নামনি হাফলঙলৈ ৯০ কিলিমিটাৰ দৈৰ্ঘ্যৰ নতুন ৰাস্তা এটা নিৰ্মাণৰ কাম শীঘ্ৰে আৰম্ভ হ'ব। তেনেদৰে লংকাৰ পৰা উমৰাংচুলৈ সমগ্ৰ পথছোৱাৰ উন্নীতকৰণৰ কাম এবছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব। উমৰাংচুত পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনা আছে বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয় যে পথ যোগাযোগ ব্যৱস্থা, ম'বাইল নেটৱৰ্ক ব্যৱস্থা উন্নীত হ'লে অঞ্চলটোলৈ যথেষ্ট সংখ্যক পৰ্যটকৰ আগমণ ঘটিব। সমগ্ৰ ডিমা হাচাও জিলাৰ পথ যোগাযোগ ব্যৱস্থা উন্নীতকৰণৰ বাবে ৰাজ্য চৰকাৰে যাৱতীয় প্ৰস্তুতি চলাই আছে আৰু এই সম্বন্ধে অঞ্চলটোৰ জনসাধাৰণে শীঘ্ৰেই ভাল খবৰ লাভ কৰিব বুলিও তেওঁ কয়। আগন্তুক প্ৰায় ৬-৭ মাহ মানৰ ভিতৰত উমৰাংচুত ৰাজ্যিক কেবিনেট বৈঠক অনুষ্ঠিত কৰাৰ উদ্যোগ লোৱা হ'ব বুলিও তেওঁ সদৰি কৰে। ৰাজ্য চৰকাৰে শেহতীয়াকৈ প্ৰদান কৰা বৃহৎ সংখ্যক চৰকাৰী পদৰ নিযুক্তিত ডিমা হাচাও জিলাৰ কেইবাগৰাকী প্ৰাৰ্থী অন্তৰ্ভুক্ত হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ পদসমূহত নিযুক্তিৰ ক্ষেত্ৰত ৫ শতাংশ আসন পাৰ্বত্য জনজাতীয় লোকৰ বাবে সংৰক্ষিত যদিও ডিমা হাচাও আৰু কাৰ্বি আংলং জিলাত যথেষ্ট সংখ্যক যুৱক-যুৱতীয়ে এনে পদত নিযুক্তিৰ বাবে আবেদন নকৰাৰ পৰিপ্ৰেক্ষিতত সংৰক্ষিত এনে বহু পদ এতিয়াও খালী হৈ আছে। ইয়াৰ পৰিপ্ৰেক্ষিততে তেওঁ পাহাৰীয়া জিলা দুখনৰ যুৱক-যুৱতীসকলক শিক্ষাত অধিক মনোনিৱেশ কৰি ৰাজ্য চৰকাৰৰ চাকৰিসমূহত আবেদনৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে সৰস্বতী বিদ্যা মন্দিৰসমূহক প্ৰকৃতাৰ্থত একোটা বিদ্যাৰ মন্দিৰ বুলি অভিহিত কৰে। তেওঁ কয় যে ৰাষ্ট্ৰ ভক্তি নথকা ব্যক্তি এগৰাকী আত্মা নথকা শৰীৰ সদৃশ। সৰস্বতী বিদ্যা মন্দিৰত বিদ্যাদানৰ সমান্তৰালকৈ বৰ্ণাঢ্য ভাৰতীয় সংস্কৃতি তথা ভাৰত মাতাৰ জয়গান কৰা হয়। সমগ্ৰ ডিমা হাচাও জিলাত অধিক সংখ্যক সৰস্বতী বিদ্যা মন্দিৰ স্থাপনৰ পোষকতা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে এনে বিদ্যালয় স্থাপনৰ দিশত যাৱতীয় সহায়-সহযোগিতা আগবঢ়াব। মুখ্যমন্ত্ৰীয়ে পাহাৰীয়া জিলাখনৰ যুৱক-যুৱতীসকলে যাতে ৰাজ্যৰ আন আন ঠাইলৈ গৈও চাকৰি কৰাত অসুবিধা বোধ নকৰে আৰু ৰাজ্যৰ অন্যপ্ৰান্তৰ লোকৰ সৈতে মত-বিনিময় বা বাৰ্তালাপ কৰাত সহজবোধ কৰে তাৰ সুবিধাৰ্থে সৰস্বতী বিদ্যা মন্দিৰ পৰিচালনা সমিতি আৰু ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদক অঞ্চলটোৰ শিক্ষানুষ্ঠানসমূহৰ পাঠ্যক্ৰমত অসমীয়া বিষয় অন্তৰ্ভুক্ত কৰিবলৈ আহ্বান জনায়।

মুখ্যমন্ত্ৰীৰ উমৰাংচুৰ এই জনসভাত শক্তি বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোছা, ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদৰ মুখ্যকাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছা, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, শিক্ষা বিকাশ পৰিষদ, দক্ষিণ অসম প্ৰান্তৰ উপাধ্যক্ষ অপূৰ্ব কুমাৰ নাথ, সৰস্বতী বিদ্যা মন্দিৰ পৰিচালনা সমিতি, ডিমা হাছাওৰ মাৰ্গ দৰ্শক ড° আৰ নেওমে, জিলা উপায়ুক্ত নাজৰিন আহমেদ আদিকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**২৮/০৯/২০২২**